অধ্যায় ১০ ঃ জনসম্পর্কৰ বিকাশ আৰু উন্নয়ন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ জনসম্পর্কৰ বিকাশ আৰু উন্নয়ন

১০.৪ জন সম্পর্কৰ বাটকটীয়াসকল

১০.৫ ভাৰতত জনসম্পর্ক

১০.৬ ভাৰতত আধুনিক জনসম্পর্ক

১০.৭ জনসম্পর্কৰ সম্ভাৱনাসমূহ

১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৯ অধিক জানিবলৈ

১০.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- জনসম্পর্কৰ ক্ৰমবিকাশ সন্দর্ভত সম্যক জ্ঞান লাভ কৰিব।
- জনসম্পর্কত ইয়াৰ বাটকটীয়াসকলৰ ভূমিকা সন্দর্ভত আলোচনা কৰিব পাৰিব।
- জনসম্পর্কৰ ক্ষেত্ৰত ভাৰতৰ ছবিখন বৰ্ণনা কৰিব পাৰিব।
- জনসম্পর্কৰ সম্ভাৱনাসমূহৰ সৈতে অৱগত হ'ব।

১০.২ পৰিচয়

এই অধ্যায়টিয়ে বিশ্ব আৰু ভাৰতত জনসম্পর্কৰ আৰম্ভনি আৰু ক্ৰমবিকাশ সন্দর্ভত এটা অৱলোকন আগবঢ়াইছে। দার্শনিক এৰিষ্টটলে কৈছিল, "মানুহ সামাজিক প্ৰাণী।" মানৱীয় কার্যকলাপৰ সৈতে জড়িত অন্য বিষয় সমূহৰ দৰে জনসম্পর্কয়ো পেছাগত বিকাশৰ ধাৰা তথা পৰিপক্কতা লাভ কৰিবলৈ প্ৰাচীন কালৰ পৰা বর্তমান সময়লৈকে বহুদূৰ অতিক্ৰম কৰিবলদীয়া হৈছে। জনসম্পর্কৰ আৰম্ভনি বুলি ক'লে সভ্যতাৰ আৰম্ভনিক বুজিব লাগিব। এই অধ্যায়টোত জনসম্পর্কৰ উন্নয়নৰ দিশটোত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে. কুৰি শতিকাৰ শেষভাগতহে

ভাৰতত জনসম্পৰ্কৰ পেছাগত দিশটোৰ বিষয়ে চৰ্চা আৰম্ভ হৈছিল। ঔদ্যোগীকৰণৰ লগে লগে জনসাধাৰণো তেওঁলোকৰ জীৱনত বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানৰ প্ৰাসংগিকতাক লৈ অধিক সংবেদনশীল হৈ পৰে। ইয়াৰ লগে লগে জনসম্পৰ্ক বৃত্তিটোৰ প্ৰতি মানুহৰ বিশেষকৈ ব্যৱসায়ীসকলৰ দৃষ্টিভংগী তথা মানসিকতাৰ আমূল পৰিৱৰ্তন ঘটে। নব্বৈৰ দশকত উদাৰীকৰণ আৰু মুক্ত বজাৰ ব্যৱস্থাই ভাৰতীয় অৰ্থনীতিক মুক্ত অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰিছিল। জনসম্পৰ্কৰ জড়িয়তে বহুজাতিককোম্পানীসমূহ দশকটোত যথেষ্ট উপকৃত হৈছিল। জনসম্পৰ্কৰ ক্ৰমবিকাশত ই বিশেষভাৱে অৰিহনা যোগাইছিল।

১০.৩ জনসম্পৰ্কৰ বিকাশ আৰু উন্নয়ন

জনসম্পৰ্ক বিভিন্ন দিশত বিভিন্ন ৰূপত থাকে। অৱশ্যে সময়ৰ লগে লগে ইয়াৰ প্ৰতি থকা ধাৰণাৰ পৰিৱৰ্তন হৈছে। ১৮৮২ চনত য়েল ল স্কুলত (Yale Law School) দিয়া এটা ভাষণত জৰমেন ইটন (Dorman Eaton) নামৰ অধিবক্তাগৰাকীয়ে প্ৰথমবাৰৰ বাবে জনসম্পৰ্ক শব্দটো ব্যৱহাৰ কৰিছিল। কিন্তু ১৯১৬ চনত জনসম্পৰ্কৰ অন্যতম বাটকটীয়া আইভি লী (Ivy Lee) য়েহে পেছাগতভাৱে জনসম্পৰ্ক শব্দটো ব্যৱহাৰ কৰিছিল।

গ্ৰীক লোকসকলে অলিম্পিকৰ দৰে ঐতিহাসিক অনুষ্ঠানৰ মাধ্যমেৰে মত বিনিময়ৰ এখন মঞ্চ সৃষ্টি কৰিছিল। ৰোমানসকলেও চিচেৰ'ৰ (Cicero) দৰে দাৰ্শনীক পণ্ডিতৰ বাকপটুতা আৰু জুলিয়াছ ছিজাৰৰ শাসনকালত লিখা পুস্তিকাসমূহৰ জড়িয়তে জনতাৰ মতামতৰ গুৰুত্বক প্ৰতিফলিত কৰিছিল। জনমতৰ বৰ্ধিত গুৰুত্বক অনুধাৱন কৰিয়ে ৰোমানসকলে সেই বিখ্যাতউক্তি গ্ৰহণ কৰিছিল। (Vox Populi, vox dei) অৰ্থাৎ ৰাইজৰ কণ্ঠ, ঈশ্বৰৰ কণ্ঠ।

মধ্যযুগীয় বিশ্বত গীৰ্জা আৰু ৰাষ্ট্ৰক সমজ্ঞান কৰা হৈছিল। গীৰ্জাই জনমতক এটা আকাৰ দিছিল আৰু ইয়াৰ জনসম্পৰ্কমূলক কাম-কাজসমূহৰ ওপৰত ফলপ্ৰসু ৰূপায়নৰ দিশটো নিৰ্ভৰ কৰিছিল। ইংলেণ্ডত ৰজাই এজন তৃতীয় ব্যক্তিৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিছিল। যেনে- চৰকাৰ আৰু জনসাধাৰণৰ মাজত যোগাযোগ ৰক্ষাৰ বাবে এজন মধস্থতাকাৰী নিয়োগ কৰিছিল। ৰজাৰ বিচাৰ-বিবেচনাসমূহ প্ৰতিফলিত কৰাৰ বাবে এজন লৰ্ডছ চেঞ্চেলৰ নিয়োগ কৰা হৈছিল। এই সময়চোৱাতে প্ৰচাৰ (Propoganda) শব্দটো প্ৰথম ব্যৱহৃত হৈছিল। গীৰ্জাই (Congregation de propaganda) অৰ্থাৎ খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ বাবে গোট গঠন কৰিছিল।

পঞ্চদশ শতিকাত জোহান গুটেনবাৰ্গে ছপা মাধ্যমৰ আৱিষ্কাৰ কৰাৰ লগে লগে আৰু অধিক তথ্য সম্বলিত পুস্তিকা, বিজ্ঞাপ্তি আৰু পোষ্টাৰৰ প্ৰচাৰৰ পথ প্ৰশস্ত হৈ পৰে। সপ্তদশ শতিকালৈকে হাৰ্ভাৰ্দ কলেজৰ দৰে শিক্ষানুষ্ঠানসমূহে আমেৰিকা যুক্তৰাষ্ট্ৰত প্ৰথম পুঁজি সংগ্ৰহৰ অভিযান আৰম্ভ কৰে। কিংছ কলেজ তথা বৰ্তমানৰ কলম্বিয়া বিশ্ববিদ্যালয়ে বাতৰিৰ প্ৰচাৰৰ বাবে প্ৰেছ বিবৃতি প্ৰকাশ কৰিছিল।

উনবিংশ শতিকাত এম'ছ কেণ্ডেল () আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ প্ৰথমগৰাকী প্ৰেছ

সচিব হিচাপে পৰিগনিত হয়। প্ৰেছ এজেণ্টৰ ধাৰণাটোৰ বাটকটীয়া পি টি বাৰ্ণামে (P T Barnum) সমগ্ৰ দেশজুৰি চাৰ্কাচ প্ৰদৰ্শন কৰি এই ধাৰণাটোক বিশেষ গতি প্ৰদান কৰিছিল। ১৮৮৯ চনত ৰেষ্টিংহাউছে প্ৰথমটো কোম্পানী জনসম্পৰ্ক বিভাগ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ এবছৰৰ ব্যৱধানত মিডচুৰেল লাইফ ইন্সুৰেঞ্চ কোম্পানীয়ে বিজ্ঞাপন আৰু প্ৰচাৰৰ দিশটো চোৱা-চিতা কৰাৰ বাবে (Species of Literary Bureau) নামেৰে এটা বিভাগ মুকলি কৰিছিল। সেই সময়তে ৰাজনৈতিক অভিযানৰ ক্ষেত্ৰত জনসম্পৰ্ক আৰু প্ৰচাৰৰ ব্যৱহাৰ আৰম্ভ হয়।

বিংশ শতিকাত গাড়ী নিৰ্মাণকাৰী কোম্পানী ফৰ্ডে সামগ্ৰী পৰ্যালোচনা আৰু প্ৰচাৰ কাৰ্যসূচীৰ মাধ্যমেৰে গাড়ীৰ প্ৰচাৰ চলাবলৈ আৰম্ভ কৰে। (Publicity Bureu) আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰথমটো প্ৰচাৰ সংস্থা।পেন্সিলভেনিয়া ৰেলৰোড কোম্পানীয়ে জনসম্পৰ্কৰ বাটকটীয়া আইভি লীৰ দৰে ব্যক্তিক নিয়োগ কৰে। লীয়ে আধুনিক জনসম্পৰ্কৰ বাট মুকলি কৰি 'নীতিৰ ঘোষণাপত্ৰ' জাৰি কৰে। এডৱাৰ্ড এল. বাৰ্নেজে 'Crystallizing Public Opinion' শীৰ্ষক এখন গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ লগে লগে জনসম্পৰ্কৰ পৰামৰ্শদাতা শব্দ দুটা জনপ্ৰিয় হ'বলৈ আৰম্ভ কৰে। তেওঁ আনকি নিউয়ৰ্ক বিশ্ববিদ্যালয়ত প্ৰথমটো জনসম্পৰ্ক পাঠ্যক্ৰম গ্ৰহণ কৰিছিল। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জনসাধাৰণৰ সমৰ্থন আৰু অংশগ্ৰহনক উদ্‌গনি যোগোৱাৰ উদ্দেশ্য জনসম্পৰ্কক ব্যৱহাৰ কৰা হৈছিল। চৰকাৰে যুদ্ধ সম্পৰ্কীয় তথ্যৰ কাৰ্যালয় আৰু বিজ্ঞাপন পৰিষদ গঠনকৰি যুদ্ধৰ তথ্য প্ৰচাৰৰ দিহা কৰিছিল। টেলিবিছনৰ প্ৰচাৰ জনপ্ৰিয় হ'বলৈ ধৰিছিল আৰু ১৯৪৮ চনত আমেৰিকা জনসম্পৰ্ক সমিতি গঠন কৰা হৈছিল। দ্ৰুত ঔদ্যোগিক বিকাশৰ লগে লগে পৰিচালনাৰ কাৰ্যাৱলী হিচাপে জনসম্পৰ্ক প্ৰতিটো সংস্থাৰ বাবে আৱশ্যকীয় উপাদান হৈ পৰে আৰু ই স্থানীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন খণ্ডত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ পৰে।



আপুনি জানেনে?

১৯৩৩ চনত স্বামী -স্ত্ৰী ক্লেম হোৱাইটেকাৰ আৰু লিয়ন বাক্সটাৰে প্ৰথমটো ৰাজনৈতিক পৰামৰ্শমূলক সংস্থা গঠন কৰিছিল। সংস্থাটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰিপাব্লিকান প্ৰাৰ্থীসকলৰ সৈতে কাম কৰিছিল আৰু সংস্থাই উদ্ভাৱন কৰা কৌশলসমূহ আজিও ব্যৱহাৰ কৰা হয়।

১০.৪ জনসম্পৰ্কৰ বাটকটীয়াসকল

আই ভি লী

প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ স্নাতক আই ভি লী। সাংবাদিকতাবিষয়ত কেৰিয়াৰ আৰম্ভ কৰা লীয়ে নিউয়ৰ্ক জাৰ্ণেল, নিউয়ৰ্ক টাইমছ আৰু নিউয়ৰ্ক ৰাৰ্ণ্ডআদিৰ বাবে কাম কৰিছিল। ১৯০৩ চনত লীয়ে জনসম্পৰ্কৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰে। তেওঁ চিটিজেনছ ইউনিয়ন নামৰ এটা

গোটৰ হৈ কাম কৰিছিল। এই গোটটোৱে বিভিন্ন ৰাজনৈতিক দলৰ কার্যকলাপসমূহ নীৰিক্ষন কৰিছিল। জর্জ পার্কাৰৰ সৈতে লগ হৈ লীয়ে পার্কাৰ এণ্ড লী নামৰ জনসম্পর্ক সংস্থা গঠন কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এইটো আছিল তৃতীয়টো জনসম্পর্ক সংস্থা। জনসম্পর্কৰ বিষয়ে নিজৰ ধাৰণাসমূহ তুলি ধৰাৰ বাবে লীয়ে 'নীতিৰ ঘোষণাপত্ৰ' শীর্ষক বিবৃত্তি সংবাদ মাধ্যমৰ বাবে প্রকাশ কৰিছিল। জনসম্পর্কৰ সৈতে জড়িত লোকসকলে সংবাদ মাধ্যম আৰু জনসাধাৰণৰ সৈতে সম্পর্ক ৰক্ষা কৰোতে ধ্যান দিবলগীয়া বিষয়সমূহ এই ঘোষণাপত্ৰত সন্নিৰিষ্ট কৰা হৈছিল। আধুনিক জনসম্পর্কৰ বিকাশৰ ক্ষেত্ৰত লীৰ 'নীতিৰ ঘোষণাপত্ৰ' অনবদ্য অৱদান। লীয়ে নিজকে মধ্যস্থতাকাৰী হিচাপে বিবেচনা কৰিছিল আৰু বিশ্বাস কৰিছিল যে শুদ্ধ তথ্য আগবঢ়াব পাৰিলে বিবেকবান মানুহে উচিত সিদ্ধান্ত গ্রহণ কৰিব পাৰে। তেওঁক বিশ্বৰ আটাইতকৈ ধনাঢ্য ব্যক্তি জন ডি ৰকফেলাৰে নিয়োগ কৰিছিল. লীয়ে ৰকফেলাৰক এগৰাকী জনপ্রিয় জনহিতৈষী ৰূপে প্রতিষ্ঠা কৰাত সহায় কৰিছিল। পেন্সিলভেনিয়া ৰেলৰোজৰ সৈতে সংঘটিত এটা ভয়ংকৰা দুর্ঘটনাক লৈ জনসম্পর্ক বিষয়া হিচাপে সংবাদ মাধ্যম আৰু জনসাধাৰণক অৱগত কৰোৱা তথা সম্পর্ক স্থাপনৰ ক্ষেত্ৰত লীয়ে আগবঢ়োৱা ধাৰণা উল্লেখযোগ্য। দুর্ঘটনাটোৰ বিষয়ে বিতং তথ্যসহ লীয়ে সংবাদ মাধ্যমৰ বাবে এটা বিবৃতি প্রকাশ কৰিছিল। দুর্ঘটনা এটাৰ বিতং তথ্য সামৰি সংবাদ মাধ্যমলৈ এটা সংস্থাই প্রেৰণ কৰা এইটো আছিল প্রথমটো প্রেছ বিবৃতি। লীয়ে মুক্ত প্রচাৰক অগ্রাধিকাৰ দিছিল। তেওঁ ঘটনাস্থলীৰ বাতৰি সংগ্রহ কৰাৰ বাবে আগ্রহী সাংবাদিকসকলক আমন্ত্রণ জনাইছিল। তেওঁ লগতে কোম্পানীৰ কার্যবাহীসকল যাতে যিকোনো প্রশ্নৰ উত্তৰৰ বাবে সাজু থাকে আৰু সংবাদ মাধ্যৰ সৈতে কথা পাতে সেয়া সুনিশ্চিত কৰিছিল। লী আৰু ৰেলৰোডৰপ্রতি জনসাধাৰণে আগবঢ়োৱা সঁহাৰিৰ পাছতে আন কোম্পানী সমূহেও জনসম্পর্কৰ ক্ষেত্ৰত অনুৰূপ পদ্ধতি অৱলম্বন কৰিছিল। কোম্পানী আৰু জনসাধাৰণৰ মাজৰ সম্পর্ক্ক ই যথেষ্ট উন্নত কৰিছিল।

ডেনিছ উইলকক্সে তেওঁৰ Public Relations ঃ Strategies and Tactics শীর্ষক গ্রন্থত উল্লেখ কৰিছে যে, আইভি লীক জনসম্পর্কলৈ তেওঁ আগবঢ়োৱা চাৰিটা গুৰুত্বপূর্ণ অৱদানৰ বাবে শ্রদ্ধাৰে স্মৰণ কৰা হয়—

(১) ব্যৱসায় আৰু উদ্যোগসমূহে ৰাজহুৱা স্বার্থৰ সৈতে নিজকে সংপৃক্ত কৰিবলগীয়া ধাৰণাৰ বিকাশ সাধন।

(২) শীর্ষ কার্যবাহীৰ সৈতে কেনে আচৰণ কৰিব লাগে আৰু কর্তৃপক্ষৰ সক্রিয় সমর্থন অবিহনেযে কোনো কার্যসূচী ৰূপায়ন নহয় সেয়া লীয়ে তুলি ধৰিছিল।

(৩) সংবাদ মাধ্যমৰ সৈতে মুকলি যোগাযোগ।

(৪) ব্যৱসায়ক মানৱীয় প্রমূল্যৰে বান্ধ খুওৱা আৰু জনসম্পর্কক কর্মচাৰী, গ্রাহক আৰু প্রতিবেশীৰ দৰে সমূহীয়া পর্যায়লৈ নমাই অনা।

এডৱার্ড বার্ণেজ

জনসম্পর্ক আৰু প্রচাৰৰ ক্ষেত্রখনৰ অন্যতম বাটকটীয়া অষ্ট্রিয়াৰমূলৰ আমেৰিকান এডৱার্ড লুইছ বার্ণেজ। তেওঁক "Father of Public Relation" বুলি কোৱা হৈছে। লেৰী টায়ে এডৱার্ড বার্ণেজৰ জীৱনী "The Father of Spin ত লিখিছে, "বার্ণেজ এই বৃত্তিৰ প্রথমজন দার্শনিক আৰু বুদ্ধিজীৱি আছিল। তেওঁ বৃহৎ সম্ভাৱনাৰ ছবিখন দেখিছিল। তত্ব আৰু ব্যৱহাৰিক দিশটোৰ মাজত থকা সম্বন্ধক উৎসাহিত কৰা তেওঁ প্রথমজন ব্যক্তি আছিল। হয়তো তেওঁ জনসম্পর্ক আৰু বিজ্ঞানৰ মাজৰকলাত্মক দিশটোক কথা কৈছিল। জনসম্পর্কৰ সৈতে জড়িত ভৱিষ্যৎ প্রজন্মক, এই বৃত্তিয়ে কেনেকৈআমেৰিকাৰ অর্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক জীৱনক এটা গতি দিয়াত শক্তিশালী ভূমিকা ল'ব পাৰে সেয়া প্রদর্শন কৰা বার্ণেজ আছিল প্রথমজন ব্যক্তি।" বার্ণেজৰ মতে জনসাধাৰণৰ দৃষ্টিভংগীৰ পৰিবর্তন আৰু কিছুমান আচৰণক উদ্গনি যোগোৱাৰ উদ্দেশ্যে বিভিন্ন প্রচাৰ তথাবার্তাক বিকশিত কৰিব পৰাকৈ জনসম্পর্কই সমাজ বিজ্ঞানৰ গৱেষণা আৰু ব্যৱহাৰিক মনোবিজ্ঞানৰ সংমিশ্রণক ব্যৱহাৰ কৰা উচিত। বার্ণেজৰ তথ্যৰ আৰ্হি যুক্তি তর্ক আৰু বিজ্ঞানসন্মত বিশ্লেষণৰে এটা অংশ। নির্ধাৰিত ব্যক্তিসকলৰ মতামত শুনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় যদিও এটা অধিক বিশ্বাসযোগ্য বার্তাৰে সঁহাৰি লাভ কৰাটোও ইয়াৰ উদ্দেশ্য। পূর্বৰ সকলো তত্বতকৈ ই অধিক আধুনিক, অধিক বিজ্ঞানসন্মত আৰু অধিক ফলপ্রসূ। পূর্বৰ একপক্ষীয় যোগাযোগ প্রেছ বিজ্ঞাপ্তি জাৰি আৰু বার্তা প্রেৰণতে সীমাবদ্ধ আছিল। ১৯২৩ চনত প্রকাশিত বার্ণেজৰ Crystalizing Public জনসম্পর্কৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্রথমখন গ্রন্থ আছিল। পৰৱর্তী সময়ত তেওঁ Engineering of Consent শীর্ষক এখন গ্রন্থও লিখিছিল। গ্রন্থখনত জনসম্পর্কৰ ধাৰণাটোক বিশ্বাসযোগ্য প্রচাৰৰ ক্ষেত্রত প্রণালীবদ্ধ ভাৱে দেখুওৱা হৈছে। তেওঁ ভালেসংখ্যক সফল প্রচাৰ অভিযান চলাইছিল। তাৰ ভিতৰত Proctor & Gamble ৰ আইভৰী ছপ আৰু চাৰোনৰ আহি প্রস্তুত কৰাৰ প্রতিযোগিতাত তেওঁলোকৰ অংশগ্রহণ, Torches of Liberty কার্যসূচী আদি অন্যতম। আমেৰিকান টাবকো কোম্পানীয়ে মহিলাসকলক ধপাতৰ গ্রাহক কৰা উদ্দেশ্য প্রচাৰ চলাবলৈ বার্ণেজক নিয়োগ কৰিছিল। মহিলা-সকলে ৰাজহুৱাকৈ চিগাৰেট খোৱাত থকা সামাজিক বাধাক প্রত্যাহ্বান জনাই ফেশ্বন তথা মডেলিঙৰ সৈতে জড়িতসকলে নিউয়র্কৰ জনপ্রিয় ইষ্টাৰ পেৰেজত জলন্ত চিগাৰেট লৈ প্রতিবাদ সাব্যস্ত কৰিছিল। ধূমপানক স্বাধীনতাৰ এটা প্রতীক হিচাপে গ্রহন কৰাৰ লগে লগে চিগাৰেট খোৱা মহিলাৰ সংখ্যা বৃদ্ধি পাইছিল আৰু বিক্রী বাঢ়িছিল।



অগ্রগতি নীৰিক্ষন

১। Crystalizing Public Opinion গ্রন্থখনৰ লেখক কোন?

.....

.....

.....

২। Declaration of Principles of PR গ্রন্থখন কোনে লিখিছিল?

.....

.....

.....

৩। বেষ্টিংহাউছে প্রতিষ্ঠা কৰা প্রথমটো কোম্পানী জনসম্পর্ক বিভাগৰ নাম কি আছিল?

.....

.....

.....

১০.৫ ভাৰতত জনসম্পর্ক

ভাৰতীয় ঐতিহাসিক প্রেক্ষাপটত জনসম্পর্ক আছিল যদিও পেছাগতভাৱে ইয়াক ব্যৱহাৰ কৰা হোৱা নাছিল। গৌতম বুদ্ধ শংকৰাচার্য আৰু কবিৰৰ দৰে আধ্যাত্মিক ধর্মগুৰুৱে সর্বসাধাৰণক নিজৰ দীক্ষাসমূহ সুন্দৰভাৱে প্রদান কৰি অতি সফল যোগাযোগকাৰী হিচাপে পৰিগনিত হৈছিল। মানুহৰ সহজে বোধগম্য হোৱাকৈ অশোকৰ শিলালিপিও স্থানীয় উপভাষাত লিখা হৈছিল। যোগ শাসনৰ পাছত ব্রিটিছৰ শাসনে জনসম্পর্কৰ বাট মুকলি কৰিছিল। শাসকসকলে জনসাধাৰণকআশ্বস্ত কৰাৰ চেষ্টা কৰিছিল। ভাৰতৰ জনসাধাৰণৰ বাবে কাম কৰা বুলি জনমতক প্রভাৱিত কৰি পতিয়িন নিয়াবলৈ চেষ্টা কৰাৰ লগতে ৰাইজে সহযোগ কৰাৰ উচিত বুলি যুক্তি দর্শাইছিল।আনহাতে, শতিকাজোৰা পৰাধীনতাৰ শিকলি ছিণ্ডি ভাৰতীয় লোকসকলে ঔপনিৱেশবাদী ব্রিটিছৰ বিৰুদ্ধে স্বাধীনতাৰ যুঁজত নামি পৰিছিল।

১৭৮০ চনত উইলিয়াম আগাষ্টাছ হিকীয়ে বেংগল গেজেট নামৰ ভাৰতৰ প্রথমখন বাতৰি কাকত প্রকাশ কৰিছিল। ই কলিকতাত (বর্তমানৰ ক'লকাতা) বসতি স্থাপন কৰা ইউৰোপীয় লোকসকলৰ স্বার্থক লক্ষ্য কৰি লৈছিল। ইয়াৰ লগে লগে শিক্ষিত লোকসকলক শিক্ষা তথা তথ্যৰ যোগান ধৰাৰ ক্ষেত্রত ই এটা গুৰুত্বপূর্ণ মাধ্যম হৈ পৰে। বাতৰি কাককসমূহে জনমতক বিকশিত কৰাৰ মাধ্যম হিচাপে কাম কৰিছিল। মহাত্মা গান্ধী সফল যোগাযোগকাৰীৰ উৎকৃষ্ট

নিদর্শন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁৰ প্রচেষ্টাতে ভাৰতীয় নাগৰিকসকলে, ব্রিটিছৰ বিৰুদ্ধে ওলাই আহি প্রতিবাদ সাব্যস্ত কৰিছিল আৰু ইয়াৰ ৫ বছৰৰ ভিতৰতে ভাৰতে স্বাধীনতা লাভ কৰিছিল।

ভাৰতীয় ৰেল বিভাগে জনসম্পর্কৰ প্রণালীবদ্ধ ব্যৱহাৰ আৰম্ভ কৰিছিল। বৃহত্তৰ ভাৰতীয় উপদ্বীপ (GIP) ৰেলৱেই ১৯২০ চনত ভাৰতলৈ পর্যটকক আকর্ষিত কৰাৰ উদ্দেশ্য ইংলেণ্ডত এটা অভিযান চলাছিল। ভাৰতত ৰেলৰ প্রচাৰ শাখাই ভ্রাম্যমান চলচ্চিত্র ব্যৱস্থা কৰিছিল। বিভিন্ন বজাৰ, মহোৎসৱ আৰু অন্যান্য স্থানত এইসমূহৰ মুকলি প্রদর্শন কৰা হৈছিল। ভাৰতীয় ৰেলক জনপ্রিয় কৰা তথ্য পর্যটকক আকর্ষিত কৰাৰ উদ্দেশ্য এই শাখাই বাতৰি কাকত আৰু আলোচনীত ব্যাপক বিজ্ঞাপন প্রচাৰ কৰাৰ লগতে দেশৰ বাহিৰতো বিভিন্ন প্রদর্শনীত ভাগ লৈছিল। প্রথম বিশ্বযুদ্ধৰ সময়ত ভাৰত চৰকাৰে এখন কেন্দ্রীয় প্রচাৰ পৰিষদ গঠন কৰে। ইয়াক পাছত কেন্দ্রীয় তথ্য ব্যুৰো আৰু পৰৱর্তী সময়ত জনতথ্য ব্যুৰো হিচাপে নামকৰণ কৰা হয়। ই চৰকাৰ আৰু সংবাদ মাধ্যমৰ মাজৰ সেঁতু হিচাপে কাম কৰিছিল। ব্যুৰোই চৰকাৰী বিজ্ঞাপনসমূহ প্রচাৰ কৰাৰ বাবে ১৯৩৮ চনত এটা নীতিও বিকশাই উলিয়াইছিল। স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে এটা পূর্ণাংগ তথ্য আৰু সম্প্রচাৰ মন্ত্রালয় গঠন কৰে।

সেই সময়চোৱাত ভাৰতত কার্যক্ষম হৈ থকা বহুজাতিক কোম্পানীসমূহে ভাৰতীয় লোকসকলৰ সৈতে অধিক অর্থৱহভাৱে যোগাযোগ স্থাপনৰ বাবে প্রয়োজনীয়তা অনুভৱ কৰিছিল। গণতান্ত্রিক প্রেক্ষাপটত নিজৰ নীতিসমূহ কার্যকৰী কৰাৰ বাবে এই কোম্পানীসমূহে জনসম্পর্কৰ সহায় লয়। বৃহৎ কোম্পানী সমূহৰ ভিতৰত টাটা গ্রুপে মিনু মাছানীৰ নেতৃত্বত ১৯৪৩ চনতে মুম্বাইত জনসম্পর্ক বিভাগ স্থাপন কৰিছিল। জনকল্যানমূলক কাম-কাজৰ বাবে কোম্পানীটো জনপ্রিয় আছিল। ১৮৯২ চনত বিদেশত থকা ভাৰতীয় মেধাৱী ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ বাবে জে এন টাটা নিধি গঠন কৰা হৈছিল. টাটা ষ্টীল লিমিটেডৰ কর্মচাৰীসকলৰ বাবে প্রয়োজনীয় সকলো সা-সুবিধা আগবঢ়াই টাটাই ভাৰতৰ প্রথমখন ঔদ্যোগিক নগৰী (SaKchi) টাটানগৰ অথবা জামছেদপুৰ স্থাপন কৰিছিল। জনসম্পর্কৰ বিকাশ আৰু উন্নয়নত বৰঙণি আগবঢ়োৱা কোম্পানীসমূহৰ ভিতৰত ৰাজহুৱা সেৱা কোম্পানীযেনে- (HMT, BHEL,) ভিলাই তীখা প্রকল্প, (NTPC), ইণ্ডিয়ান অয়ল, (BSNL, NHPC,ONGC) আদি অন্যতম। ১৯৫৮চনত ভাৰতীয় জনসম্পর্ক সমিতি গঠন কৰা হৈছিল। জনসম্পর্কৰেজড়িত লোকসকলৰ লগতে যোগাযোগৰ বিশেষজ্ঞসকলৰ পেছাগত বিকাশৰ উদ্দেশ্য এই ৰাষ্ট্রীয় সন্থা গঠন কৰা হয়। ই জনসম্পর্কক পৰিচালনাৰ এটা গুৰুত্বপূর্ণ কার্য হিচাপে বিবেচনা কৰি প্রসাৰৰ বাবে কাম কৰে।

১০.৬ ভাৰতত আধুনিক জনসম্পর্ক

সংবাদ মাধ্যম আৰু ব্যৱসায়ৰ ক্ষেত্রখনৰ দ্রুত সম্প্রসাৰণৰ পৰিপ্রেক্ষিতত বর্তমানৰ ভাৰতত জনসম্পর্কৰ যিকোনো সমস্যাৰ সমন্বিত সমাধানৰ পূর্ণ সুযোগৰ সন্ধান দিয়াৰ সামর্থ আছে ।

কেৱল সংবাদ মাধ্যমক পৰিচালনা কৰা অথবা এখন আলোচনী প্ৰকাশ কৰাৰ দৰে কামতেই বৰ্তমানৰ জনসম্পৰ্ক সীমাবদ্ধ নহয়। বৰ্তমান সময়ত জনসম্পৰ্ক এটা জ্ঞানভিত্তিক বৌদ্ধিক বৃত্তি। গোলকীকৰণ আৰু অৰ্থনৈতিক উদাৰীকৰণে ভাৰতত জনসম্পৰ্কক এটা জনপ্ৰিয় আৰু সমৃদ্ধিশালী উদ্যোগত পৰিণত কৰিছে। বন্ত্ৰসায় বৃদ্ধি আৰু যোগাযোগৰ ফলপ্ৰসু পৰিচালনাৰ ক্ষেত্ৰত প্ৰতিটো সংস্থাই বৰ্তমান সময়ত জনসম্পৰ্কৰ প্ৰয়োজন অনুভৱ কৰে। দেশৰ অধিকাংশ সংস্থাৰ বাবে এতিয়া জনসম্পৰ্ক এটা কৌশলগত পৰিচালনা কাৰ্য। ৮০ আৰু ৯০ ৰ দশকত জনসম্পৰ্ক বিজ্ঞাপন সংস্থা এটা বিস্তৃত ৰূপ মাত্ৰ আছিল। বৰ্তমান সমন্বিত সমাধানৰ পথ উলিওৱাৰ ক্ষেত্ৰত জনসম্পৰ্কই সুযোগ সৃষ্টি কৰে। বিশেষকৈ জনসম্পৰ্ক আৰু বিজ্ঞাপনৰ মাজত ই যোগসূত্ৰকো প্ৰতিফলিত কৰে। সমন্বিত বিপনন যোগাযোগৰ ক্ষেত্ৰত জনসম্পৰ্ক এটা গুৰুত্বপূৰ্ণ উপাদান হিচাপে অন্তৰ্ভুক্ত হৈছে। নিৰ্ধাৰিত জনসাধাৰণৰ বাবে অৰ্থৱহ এটা ৰূপত তথ্য যোগান আৰু কেনেকৈ নিজৰ বাৰ্তাসমূহ সকলোৱে বুজাকৈ আগবঢ়াব এই বিষয়ে বিভিন্ন কোম্পানীয়ে জনসম্পৰ্ক সংস্থা অথবা নিজা জনসম্পৰ্ক বিভাগ বা যোগাযোগ বিভাগৰ পৰা জানিব বিচাৰে। Associated Chamber of Commerce and Industry in India(Assocham, 2012) ৰ এটা সমীক্ষা অনুসৰি ভাৰতৰ জনসম্পৰ্ক উদ্যোগটোৱে বছৰি ৩২ শতাংশ হাৰেৰে বিকাশ লাভ কৰি আছে। ভাৰতত শ-শ বৃহৎ আৰু ক্ষুদ্ৰ জনসম্পৰ্ক সংস্থা আছে। হাজাৰ হাজাৰ জনসম্পৰ্কৰ পেছাদাৰী ব্যক্তি আছে। ইয়াৰে ১ লাখ ৫০ হাজাৰৰো অধিক লোক জনসম্পৰ্ক সংস্থা, ব্যৱসায় নিগমৰ জনসম্পৰ্ক বিভাগ, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সচিবালয়ৰ জনসম্পৰ্কআৰুতথ্য বিভাগ, বিশ্ববিদ্যালয় মহাবিদ্যালয় আৰু অন্য শিক্ষানুষ্ঠানত নিয়োজিত হৈ আছে।

ভাৰতৰ জনপ্ৰিয় জনসম্পৰ্ক সংস্থাসমূহ—

- এডফেক্টৰছ পি আৰ
- জেনেছিছ বাৰ্ছন-মাৰ্চটেলাৰ
- ৰেবাৰ শ্বেণ্ডুৰিক
- এডেলমেন
- অগিলভি পি আৰ
- পাৰফেক্ট বিলেশ্বনছ
- ৰাগেনাৰ এডষ্ট্ৰম
- এম এছ এল গ্ৰুপ ইণ্ডিয়া

অসমৰ জনসম্পৰ্ক উদ্যোগটোও যথেষ্ট প্ৰতিশ্ৰুতিসম্পন্ন । ২০০০ চনৰ আৰম্ভনিতে কেৱছফৰ্ড পাবলিকৰিলেচনছ অসমৰ প্ৰথম জনসম্পৰ্ক সংস্থা আছিল। বৰ্তমান ৰাজধানী মহানগৰী গুৱাহাটীত লাইফ্ছ পাৰ্পোল পি আৰ, প্ৰডিজী কমিউনিকেশ্বনছ, মন্ত্ৰা মিডিয়া এণ্ড ইভেণ্টছ আৰু ছেভেন ছেনছ্ কমিউনিকেশ্বনছৰ দৰে সংস্থাই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতেই অধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় জনসম্পৰ্ক সমিতি চমুকৈ পি আৰ এছ আইৰ গুৱাহাটী সমিতিও আছে। ৰাজ্য

চৰকাৰৰ তথ্য সঞ্চালকালয় আৰু জনসম্পর্ক বিভাগ আছে। লগতে অ'এন জি চি, ভাৰতীয় ৰেল, ক'ল ইণ্ডিয়া আৰু বিভিন্ন চাহ বাগিছা তথা ৰাজহুৱা খণ্ডৰ কোম্পানীৰ জনসম্পর্ক বিভাগ আছে।

১০.৭ ভাৰতত জনসম্পর্কৰ সম্ভাৱনা

ভাৰতীয় জনসম্পর্ক পৰামর্শদাতা সস্থা ()ৰ 'ঔদ্যোগিক সমীক্ষণ ২০১৭ অনুসৰি ভাৰতত জনসম্পর্ক উদ্যোগটো ২০১৭ চনত ১৮ শতাংশ বিকাশেৰে ১,৩১৫ কোটি টকাৰ হৈছেগৈ। জন সম্পর্ক সংস্থাসমূহৰ ৰাজহৰ প্রায় ২৯ শতাংশ আহে ডিজিটেল, ছ'চিয়েল মিডিয়া আৰু আন কেতবোৰ কার্যসূচীৰ দ্বাৰা। জনসম্পর্কই কেতিয়াও বর্তমানৰ দৰে বৃহত্তৰ প্রসিদ্ধি লাভ কৰা নাছিল। ইণ্টাৰনেট, বাতৰি তথা ছ'চিয়েল মিডিয়াৰ দ্রুত প্রসাৰৰ লগে লগে জনসম্পর্ক উদ্যোগটোৱেও বিকাশ লাভ কৰিছে। তথ্যৰ পৰা কথোপকথনলৈ এটা স্পষ্ট ৰূপান্তৰৰ ধাৰাৰে জনসম্পর্ক উদ্যোগটো বর্তমান বিকাশৰ এটা আকর্ষণীয় পর্যায়ত আছে। প্রযুক্তিয়ে জনসাধাৰণক মত বিনিময়ৰ নতুন নতুন পথৰ সন্ধান দিছে আৰু জনসম্পর্কক অনন্য মাত্রা প্রদান কৰিছে।

নিয়োগৰ ছবিখন বিশেষকৈ কেন্দ্র , ৰাজ্য আৰু স্থানীয় প্রশাসনিক বিভাগসমূহত যথেষ্ট প্রতিশ্রুতিপূর্ণ। ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ উদ্যোগ, প্রতিৰক্ষা সেৱা, ব্যক্তিগত আৰু ৰাজহুৱা বেংক, চিকিৎসালয়, সমূহীয়া কল্যান সংস্থা, স্বেচ্ছামূলক সেৱা সংস্থা আৰু সংগঠিত কোম্পানীসমূহত প্রশিক্ষণ প্রাপ্ত জনসম্পর্ক বিষয়ৰ প্রয়োজন বৃদ্ধি পাবলৈ ধৰিছে জনসম্পর্কৰ পৰামর্শদান আৰু জনসম্পর্কৰ গৱেষণা ৰু মূল্যায়ন বর্তমান অতি গুৰুত্বপূর্ণ খণ্ড। ব্যৱহাৰিক বিজ্ঞানসমূহতো বিশেষ প্রশিক্ষনৰ চাহিদা বৃদ্ধি পাইছে। কেৰিয়াৰ হিচাপে জনসম্পর্ক এটা লাভজনক, সুৰক্ষিত, উদ্ভাৱনীমূলক আৰু সামাজিকভাৱে উপযোগী তথা ফলপ্রসু বৃত্তি।

বর্ধিত প্রতিযোগিতা, গ্রাহকৰ সজাগতা, দায়বদ্ধ সংস্থা হিচাপে এটা আকর্ষণীয় ভাৱমূর্তি গঢ়ি তোলা, কর্মচাৰী সকলক উৎসাহিত তথা অনুপ্রাণিত কৰি ৰখাৰ গুৰুত্ব ইত্যাদিয়ে এই বৃত্তিৰ মর্যাদা বৃদ্ধিত অহিহনা যোগাইছে। সেয়ে জনসম্পর্কই ভাৰত তথা বিশ্বত ভৰিষ্যৎ সময়তো যথেষ্ট প্রভাৱ বিস্তাৰ কৰিব। নির্ধাৰিত জনসাধাৰণৰ ওপৰত গুৰুত্বআৰোপ কৰাৰ লগতে ই যথেষ্ক্ষ ব্যয়মাধ্যত্ত। যিদহে ৫ টা ডব্লিউ আৰু এটা এইচৰ শুদ্ধভাৱে উত্তৰ দিয়া যায়, তেনেহ'লে যিকোনো জনসম্পর্কৰ পৰিকল্পনাই যিকোনো সময়তে যিকোনো ঠাইতে আচ্নর্য জনক ফলাফললাভ কৰিব পাৰে।



১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

প্রাচীন সময়ৰপৰা আধুনিক বিশ্বলৈকে জনসম্পর্কই বিভিন্ন স্তৰ অতিক্রম কৰি এটা সফল উদ্যোগৰূপে প্রতিষ্ঠা লাভ কৰিছে। আজিৰ পর্যায় পাবলৈ ই বিভিন্ন পৰিৱর্তনৰ মাজেৰে আগবাঢ়িব


লগীয়া হৈছে। জনসম্পর্কৰ বিকাশৰ ক্ষেত্রত ইউৰোপীয় দেশ আৰু আমেৰিকা যুক্তৰাষ্ট্রৰ ভূমিকা সন্দর্ভত এই অধ্যয়টোৱে এটা সম্যক ধাৰণা দিব পাৰে। ধর্মীয় নীতিৰ প্রচাৰৰ পৰা বিভিন্ন নীতিৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা তথা পতিয়ন নিওৱালৈকে জনসম্পর্কই পালন কৰা ভূমিকা সন্দর্ভত ইয়াত ব্যাখ্যা আগবঢ়োৱা হৈছে। এই অধ্যায়ত জনসম্পর্কৰ দুগৰাকী বাটকটীয়া আইভি লী আৰু এজৰার্ড বার্ণেজৰ জীৱনীৰ টোকাসহ তেওঁলোকৰ অৱদানৰ বিষয়ে আলোচনা কৰা হৈছে। তেওঁলোকৰ অৱদানে সমগ্র উদ্যোগটোৰ লাইখুঁটা স্থাপন কৰাৰ লগতে শিক্ষা আৰু গৱেষণাৰ ক্ষেত্রত জনসম্পর্কক এটা উল্লেখযোগ্য উপাদান কৰি গঢ়ি তুলিছিল। এই অধ্যায়ত ভাৰতত জনসম্পর্কৰ আৰম্ভনি, বিকাশ আৰু ক্রম-বিকাশ সন্দর্ভতো আলোচনা কৰা হৈছে। স্বাধীনতা আন্দোলন তথা ভাৰত চৰকাৰ আৰু হাউছ অৱ্ টাটাৰ দৰে ব্যক্তিগত কোম্পানীয়ে ভাৰতত জনসম্পর্কক এটা আকাৰ দিয়াত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। অর্থনৈতিক নীতি আৰু উদাৰীকৰণ আৰু গোলকীকৰণে ভাৰতত জনসম্পর্কৰ ছবিখনলৈ আমূল পৰিৱর্তন আনিছে। পূঁজিবাদ, ঔদ্যোগিকৰণ আৰু উভভোক্তবাদৰ প্রসাৰে এটা প্রতিযোগিতামূলক পৰিৱেশ গঢ় দিয়ে। ইয়াৰ লগে লগে জনসম্পর্ক টো দীর্ঘ পৰিক্রমাৰে প্রতিশ্রুতিসম্পন্ন ভৱিষ্যতৰ দিশে আগবাঢ়ে।



১০.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

- Sachdeva, Iqbal. (2009). Public Relations: Principles and Practices. First Edition. New Delhi: Oxford University Press
- Wilcox, Dennis, Cameron, Glen, Reber, Bryan (2015). Public Relations: Strategies and Tactics. Eleventh Edition. Essex: Pearson.
- Newsom, Doug, Turk V, Judy, Kruckeberg, Dean (2000). This is PR: The Realities of Public Relations. Seventh Edition. Singapore: Wadsworth Thomson Learning.



১০.১০ অগ্রগতি নীৰিক্ষনৰ প্রশ্নোত্তৰসমূহ

১। নং প্রশ্নোত্তৰ ঃ এজৰার্ড

২। নং প্রশ্নোত্তৰ ঃ আইভি লী।

৩। নং প্রশ্নোত্তৰ ঃ ১৮৮৯



১০.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

১ নং প্ৰশ্নঃ এটা সংস্থাৰ ভাৱমূৰ্তি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত জনসম্পৰ্কই কেনেকৈ সহায় কৰে?

২ নং প্ৰশ্নঃ জনসম্পৰ্কৰ বিকাশৰ ক্ষেত্ৰত আইডিলীৰ কেনে ভূমিকা আছিল?

খ) চমু / চুটি প্ৰশ্ন- (প্ৰায় ১৫০ টা শব্দত উত্তৰ দিয়ক)

১ নং প্ৰশ্নঃ জনসম্পৰ্কৰ ইতিহাস সন্দৰ্ভত এটা বিস্তৃত টোকা লিখক।

২ নং প্ৰশ্নঃ জনসম্পৰ্ক্ক বৃত্তি হিচাপে বিকশিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান থকা ইয়াৰ বাটকটীয়াসকলৰ ভূমিকা সন্দৰ্ভত লিখক।

গ) দীঘল / ৰচনাধৰ্মী প্ৰশ্ন- (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

১ নং প্ৰশ্নঃ ভাৰতত জনসম্পৰ্কৰ ক্ৰমবিকাশ সম্পৰ্কে বহলাই লিখক।

২ নং প্ৰশ্নঃ জনসম্পৰ্কৰ সম্ভাৱনাসমূহৰ বিষয়ে লিখক।

****